# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-06-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

সাম্প্ৰতিক বানত ৰাজ্যৰ ২১ খন জিলাৰ ৫ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৬৫ টা আশ্ৰয় শিবিৰত ৩১ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ১৫৭ টা সাহায্য সামগ্ৰী বিতৰণ কেন্দ্ৰত ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰা হৈছে। ৰাজ্যখনত সাম্প্ৰতিক বানত ১৩ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত হোজাই জিলাত এজন লোকৰ মৃত্যু হয় আৰু ডিব্ৰুগড় আৰু হাইলাকান্দিত দুজন লোক সন্ধানহীন হয়। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীত ডিব্ৰুগড় জিলাৰ উপকণ্ঠ অঞ্চল বগীবিলৰ কেইবাখনো গাঁও প্লাৱিত হৈছে। বানে কেইবাশ বিঘা কৃষিভূমি বুৰাই পেলাইছে। এতিয়াও অঞ্চলটোৰ কমেও ২৭ টা পৰিয়ালৰ বাসগৃহ পানীত বুৰ গৈ আছে। জিলাখনৰ খোৱাং সমষ্টিৰ কেইবাখনো গাঁও বুঢ়ীদিহিং নৈৰ বাঢ়নি পানীয়ে বুৰাই পেলাইছে। সমষ্টিটোৰ ভগামূৰ উন্নয়ন খণ্ডৰ ৰিং বান্ধ ছিগি যোৱাত গাঁওকেইখন জলমগ্ন হৈছে। জিলাখনৰ ৭টা ৰাজহ চক্ৰৰ ৬৬ খন গাঁৱৰ ২০ হাজাৰৰো অধিক লোক বছৰৰ প্ৰথমটো বানত ক্ষতিগ্ৰস্ত হৈছে। জিলাখনৰ অকলেণ্ডত ব্ৰহ্মপুত্ৰত পৰি সন্ধানহীন হোৱা এটি ৭ বছৰীয়া শিশুক এতিয়াও উদ্ধাৰ কৰিব পৰা হোৱা নাই। জিলাখনত ২০ হাজাৰৰো অধিক পশুধনৰো ক্ষতি হৈছে। যোৱা দুদিন ধৰি বতৰ কিছু ফৰকাল হৈছে যদিও ব্ৰহ্মপুত্ৰৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে।

হোজাই জিলাত কপিলী নৈৰ বাঢ়নি পানীয়ে ভালেমান অঞ্চল প্লাৱিত কৰিছে। আজি বতৰ ফৰকাল হোৱাৰ বাবে বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ১৫ খন গাঁৱৰ ৯ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে।

বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাৰ বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত হৈ আছে। বৰাক, লংগাইৰ আৰু কুছিয়াৰা নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ ফলত ন ন অঞ্চল প্লাৱিত হৈছে। জিলা সদৰত ৯ টা সাহায্য শিবিৰ মুকলি কৰি সাহায্য সামগ্ৰী বিতৰণ কৰি থকা হৈছে।

কলিয়াবৰৰ হাতীমূৰা মথাউৰিক লৈ স্থানীয় লোক সকল সন্দিহান হৈ থকাৰ সময়তে যোৱানিশা স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তই মথাউৰিটোত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে এইবাৰ হাতীমূৰা মথাউৰি নিৰ্মাণত চাৰি তৰপীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰাত মথাউৰিটোৰ ক্ষয়ক্ষতি হোৱাৰ কোনো সম্ভাৱনা নাই। অৱশ্যে শেহতীয়াকৈ ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে ২৪ ঘণ্টাই মথাউৰিটো নিৰীক্ষণ কৰি থকা হৈছে বুলিও তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে হাতীমূৰা মথাউৰিৰ শেহতীয়া স্থিতিক লৈ মুখ্যমন্ত্ৰী আৰু জলসম্পদ মন্ত্ৰীৰ সৈতে আলোচনা কৰিছে।

ooooo

ৰাষ্ট্ৰীয় আইনী সেৱা প্ৰাধিকৰণে যোৱা ১৩ মে’ৰ পৰা **সাথী** অৰ্থাৎ ছাৰ্ভে ফৰ আধাৰ এণ্ড এক্সেছ টু ট্ৰেকিং এণ্ড হ’লিষ্টিক ইনক্লুজন কেম্পেইন নামৰ ৰাষ্ট্ৰীয় অভিযান আৰম্ভ কৰিছে। অভিভাৱকহীন, আশ্ৰয়হীন, ৰাজপথত বাস কৰা, সুৰক্ষা আৰু যত্নৰ সুস্থিৰ উৎস নথকা ১৮ বছৰ তলৰ নিঃস্ব শিশুসকলক আইনী পৰিচয় প্ৰদান আৰু সমাজ কল্যাণ আঁচনিসমূহৰ সুবিধা প্ৰদানৰ লক্ষ্যৰে এই অভিযান ৰূপায়ণ কৰা হৈছে। এই অভিযানৰ অধীনত জিলা আইন সেৱা প্ৰাধিকৰণৰ নেতৃত্বত মিছন-ম’ড পদ্ধতিৰে এই বিশেষ শিশুসকলক চিনাক্ত কৰি তেওঁলোকৰ আধাৰৰ পঞ্জীয়ন কৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনিত অন্তৰ্ভুক্ত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ’ব। চৰাইদেউ জিলাত এই কামসমূহ সুচাৰুৰূপে চলাবৰ বাবে এখন জিলা **সাথী** সমিতি গঠন কৰা হৈছে আৰু এনে শিশুক চিনাক্ত কৰাৰ বাবে কাৰ্যব্যৱস্থা হাতত লোৱা হৈছে। এই শিশুসকলক চিনাক্ত কৰাৰ বাবে সহায় কৰিবলৈ সমিতিয়ে জিলাৰ সকলো নাগৰিকলৈ অনুৰোধ জনাইছে।

ooooo

ডিব্ৰুগড় জিলাৰ দুলীয়াজানৰ অসিৎপুৰ চাহ বাগিচাত আজি অসম চাহ জনজাতি ছাত্ৰ সন্থাই বাগিচাখনৰ অচলাৱস্থাৰ স্থায়ী সমাধানৰ দাবী জনাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত সংগঠনটোৰ নেতা-কৰ্মীসকলৰ উপৰি ভালেসংখ্যক চাহ শ্ৰমিকে অংশগ্ৰহণ কৰে। সংগঠনটোৰে টেঙাখাত ৰাজহ চক্ৰ বিষয়াৰ যোগেদি মুখ্যমন্ত্ৰীলৈ বাগিচাখনৰ সমস্যা সমাধানৰ দাবী জনাই এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

ooooo

নীপকোৱে ৰঙানদী বান্ধৰ অতিৰিক্ত পানী আকস্মিকভাৱে মুকলি কৰি দিয়াৰ পৰিপ্ৰেক্ষিতত লখিমপুৰত সৃষ্টি হোৱা ভয়াৱহ বান পৰিস্থিতিৰ পাছত আজি ধেমাজিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। ধেমাজি নগৰৰ ৰাজপথত আজি ৰাইজৰ দলৰ নেতৃত্বত জাতীয় যুৱ বাহিনী আৰু জাতীয় নাৰী বাহিনীৰ সদস্যই প্ৰতিবাদ কৰে। প্ৰতিবাদকাৰীসকলে এন এইচ পি চিৰ বৃহৎ নদীবান্ধৰ উপৰি অৰুণাচল প্ৰদেশত নিৰ্মীয়মান ১৩৪ টা নদীবান্ধৰ কাম শীঘ্ৰেই বন্ধ কৰি দিয়াৰ দাবী জনায়।

ooooo

ধেমাজি চিলাপথাৰৰ নিবাসী, চিচি চাৰিআলিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ তথা প্ৰবীন ক্ৰীড়াবিদ টিপেশ্বৰ গগৈৰ যোৱা নিশা নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ। চিলাপথাৰ সাহিত্য সভা, চিলাপথাৰ নগৰ উন্নয়ন সমিতিৰ সৈতে জড়িত প্ৰয়াত গগৈৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

ooooo

স্পেইনৰ মাৰ্বেলা ফুটবল ক্লাবত অসমৰ ১৯ বছৰ অনূৰ্ধ  ১৭ গৰাকী ফুটবল খেলুৱৈয়ে প্ৰশিক্ষণ গ্ৰহণৰ সুবিধা লাভ কৰিছে। ৰাজ্যৰ বছা বছা ৭২ গৰাকী ফুটবল খেলুৱৈৰ ভিতৰত গুৱাহাটী স্পৰ্টছ এছ’চিয়েচনে এই প্ৰশিক্ষণৰ বাবে ৰাজ্যৰ ১৭ গৰাকী খেলুৱৈক নিৰ্বাচিত কৰিছে। গোপীনাথ বৰদলৈ ট্ৰফী প্ৰতিযোগিতাত ভাল খেল প্ৰদৰ্শন কৰাৰ বাবে নিৰ্বাচিত হোৱা এই ১৭ গৰাকী খেলুৱৈৰ মাজত বিশ্বনাথৰ সৌৰভ কুমাৰ দে’ও নিৰ্বাচিত হৈছে। এই প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ দলটো অহা জুলাই মাহৰ শেষৰফালে গুৱাহাটীৰ পৰা স্পেইনলৈ ৰাওনা হ’ব।

ooooo

সমাপ্ত